# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | JANUARY 2023 | No. 7


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

### মথি ৫ঃ ১১ - ১৮

১১। যেতিয়া মানুহবিলাকে মোৰ কাৰণে তোমালোকক নিন্দা কৰিব আৰু তাড়না কৰিব আৰু তোমালোকৰ অহতে মিছাকৈ সকলো প্ৰকাৰে কুকথা ক'ব, তেতিয়া তোমালোক ধন্য।

১২। আনন্দ কৰা আৰু উল্লাসিত হোৱা; কিয়নো স্বৰ্গত তোমালোকৰ পূৰ্বে যি ভাববাদীসকল আছিল, তেওঁলোককো মানুহবিলাকে সেইদৰে তাড়না কৰিছিল।

১৩। তোমালোক পৃথিৱীৰ লোণ; কিন্তু যদি লোণৰ সোৱাদ গুচিল, তেন্তে তাক কিহেৰে লোণা কৰা যাব? সেয়ে তেতিয়াৰে পৰা একো কামৰ নহয়, কেৱল বাহিৰলৈ পেলোৱাৰ আৰু মানুহৰ গচকাৰ যোগ্যহে হয়।

১৪। তোমালোক জগতৰ পোহৰ, পৰ্বতৰ ওপৰত থকা নগৰ গুপ্ত হ'ব নোৱাৰে।

১৫। আৰু মানুহে চাকি জ্বলাই, দোণৰ তলত নথৈ, গছাৰ ওপৰতহে থয়; তাতে ঘৰত থকা সকলোকে পোহৰ দিয়ে।

১৬। এইদৰে তোমালোকৰ পোহৰ মানুহৰ আগত প্ৰকাশিত হওক; তাতে তেওঁবিলাকে তোমালোকৰ ভাল কৰ্ম দেখি, স্বৰ্গত থকা তোমালোকৰ পিতৃৰ স্তুতি কৰিব।

১৭। মই বিধান বা ভাববাদীসকলৰ বাক্য বিনষ্ট কৰিবলৈ আহিলো বুলি তোমালোকে নাভাবিবা; মই বিনষ্ট কৰিবলৈ অহা নাই কিন্তু সিদ্ধ কৰিবলৈহে আহিলো।

১৮। কিয়নো মই তোমালোকক স্বৰূপকৈ কওঁ, স্বৰ্গ আৰু পৃথিৱী নুগুচে মানে আৰু সকলো সিদ্ধ নহয় মানে বিধানৰ এটি ইকাৰ বা এক বিন্দুও কোনোৰূপে লুপ্ত নহয়।

# আশীৰ্বাদপ্ৰাপ্ত নৱবৰ্ষ......

## *BLESSED NEW YEAR . . .2023*

২০২৩

ড° এ, ৰিচাৰ্ড চামুৱেল

"সকলো কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা আটাই হিংসাৰে সৈতে এই সকলো আপোনালোকৰ পৰা দূৰ হওঁক। পৰস্পৰৰ প্ৰতি স্নেহশীল হওঁক আৰু কোমল চিত্তৰ লোক হওঁক; ঈশ্বৰে আপোনালোকক যেনেকৈ খ্ৰীষ্টত ক্ষমা কৰিলে, তেনেকৈ আপোনালোকেও পৰস্পৰে ক্ষমা কৰক।" ইফিচীয়া ৪ঃ৩১,৩২।

যেতিয়াই আমি নৱবৰ্ষত প্ৰৱেশ কৰো আমি নতুন নতুন আঁচনিসমূহৰ বিষয়ে চিন্তা কৰো। কিন্তু দুখজনকভাৱে আমি যোৱা বছৰত লোৱা আঁচনিসমূহৰ বিষয়ে নাভাবো আৰু সেইবিলাকৰ বিষয়ে উপলব্ধি নকৰো। কোনোবাই ধেমালিতে কৈছিল, নতুন বছৰৰ আঁচনিসমূহ ভাঙিবৰ বাবে লোৱা হয়।"

নতুন বছৰৰ আঁচনিসমূহক জীয়াই ৰাখিবলৈ হ'লে দলবদ্ধভাৱে কাৰ্য্য কৰা উচিত। শিষ্যবিলাকে যীচুৰ দ্বাৰাই শিক্ষা পাইছিল, কিন্তু তেওঁক ক্ৰুচত দিয়াৰ সময়ত তেওঁবিলাকে যীচুক পৰিত্যাগ কৰিছিল। তেওঁৰ পুনৰুত্থানৰ পাছত যীচুৱে শিষ্যবিলাকক গালীলৰ পৰ্বতত সমবেত হ'বলৈ কৈছিল। মথি ২৮ঃ১৬। তেওঁবিলাকক বাধ্য আছিল কিন্তু যেতিয়া অলপ পলম হৈছিল শিষ্যবিলাকে আগৰ নিজ নিজ কামলৈ ঘূৰি গৈছিল। যোহন ২১ঃ১-৪।

আমি পাঁচনি কৰ্ম ২ অধ্যায়ত পঢ়িবলৈ পাওঁ যে পঞ্চাশ দিনীয়া পৰ্বৰ দিনা ঈশ্বৰ, পবিত্ৰ আত্মাই ওপৰ কোঠালীত শিষ্যসকলক পৰিদৰ্শন

৩ পৃষ্ঠাত চাওঁক

## ইখ অফ হীজ কল- ইউ টিউব চেনেল!

## পালক, চাম ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা!!



আমাৰ শুভবাৰ্তাসমূহ প্ৰতিদিনে পুৱা ৫.০০ বজাত আৰু দেওবাৰে পুৱা ৪.৩০ বজাত (আই, এচ, টি) তামিল ভাষাত আমাৰ ইউ টিউব চেনেল ইখ অফ হীজ কলত আপলোড কৰা হয়। ইংৰাজী আৰু হিন্দী ভাষাতো অতি সোনকালে আমাৰ বাবে প্ৰাৰ্থনা কৰক আৰু আপোনাৰ মতামতবিলাক পঠাওক। ইয়াৰ মাধ্যমেৰে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি প্ৰাৰ্থনা অংশীদাৰ হিচাবে প্ৰতিটো পুৱাবেলাত পালক, চাম ছেলভা ৰাজৰ সৈতে আপুনি ব্যক্তিগতভাৱে প্ৰাৰ্থনা কৰিব পাৰে।

-মেৰী আৰু খ্ৰীষ্টি চিন্নিআহ, ডাইৰেক্টৰ

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**CORE LEADERS**
Bro. K. Puratchivendan
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


### ...তোমাৰ আশাক খণ্ডন কৰা নহয় হিতোপদেশ ২৩:১৮

প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত ২০২৩ নৱবৰ্ষৰ শুভেচ্ছা জনালো। আমাৰ প্ৰভু ঈশ্বৰ, যিজনে আমাক যোৱা বছৰবিলাকত চলাই নিলে তেওঁলৈ সকলো মহিমা আৰু সমাদৰ দিছো।

আপুনি কেনেদৰে আছে? আমাৰ অন্তৰত এটি প্ৰকৃত বোজা লৈ, আমি আপোনাৰ আৰু আপোনাৰ প্ৰয়োজনতন্ত্ৰৰ বাবে প্ৰাৰ্থনা কৰি আছো। আমাৰ লগত ব্যক্তিগতভাৱে স্পৰ্শত থকা, আৰু আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, চাবচস্ক্ৰাইব অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞা অংশীদাৰসকলৰ বাবে ফাইল আৰু ৰেজিষ্টাৰ বহী বজায় ৰাখিছো। প্ৰাৰ্থনাত আমাৰ হৃদয় আৰু প্ৰাণ ৰাখি আপোনাৰ বাবে আৰু আপোনাৰ পৰিস্থিতিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আমি দায়িত্ব হিচাবে লৈছো। মই মোৰ ব্যক্তিগত কোঠালিত 'পেঞ্চিল প্ৰাৰ্থনা পাঠী' নাম দি পৃথকে এটা ঠাই ঠিক কৰি লৈছো আৰু সাজু হৈ আছো। আমাৰ প্ৰভু ঈশ্বৰে আমাৰ প্ৰাৰ্থনা গ্ৰহণ কৰিব আৰু আপোনাক আশীৰ্বাদ কৰিব। যিকোনো বিষয়ৰ বাবে ভয় নকৰিব। আমাৰ লগত ঈশ্বৰ আছে। ঈশ্বৰৰ সন্তানবিলাকে সন্মুখীন হোৱা সমস্যা আৰু কষ্টবিলাকক ঈশ্বৰে ভালকৈ জানে। গতিকে সাহিয়াল হোৱা। এই নৱবৰ্ষত ঈশ্বৰে আপোনাৰ জীৱনত মহান কাৰ্য্যসমূহ পূৰ্ণ কৰিব। হে দেশ ভয় নকৰিবা, উল্লাসিত হৈ আনন্দ কৰা, কিয়নো যিহোৱাই মহৎ কৰ্ম কৰিলে! যোৱেল ২:২১।

আমি কিছুমান স্বাধীন মণ্ডলীসমূহৰ আৰু পৰিচৰ্য্যাৰ খবৰ পাইছো। মই বুজি পাইছো যে ভৱিষ্যতে ভাৰতত তেনে পৰিচৰ্য্যাসমূহলৈ কঠিন পৰিস্থিতিৰ উৎপন্ন হ'ব পাৰে। গতিকে তেনে ঈশ্বৰৰ দাস সকলে সাৱধান হ'ব লাগিব আৰু এই সময়ত যি প্ৰয়োজন তাকে কৰক।

যদি আপোনালোকে স্বাধীনভাৱে প্ৰভুৰ পৰিচৰ্য্যাত আছে আৰু কোনো অনুস্থানৰ অধীনত নাই তেন্তে আনুষ্ঠানিকভাৱে স্বীকৃতিপ্ৰাপ্ত এটা আত্মিক মিশ্বনৰ সৈতে আপোনালোকৰ পৰিচৰ্য্যাক যোগ কৰক। যদি আপোনালোকে চলাওঁতাসকলৰ সৈতে ভুল বুজা বুজি হৈ স্বাধীনভাৱে চলি আছে আৰু ইতিমধ্যে বেলেগ মিশ্বনত যোগদান কৰিছে, তেন্তে অনুগ্ৰহ কৰি সকলো পাহৰি যাওক আৰু আপোনালোকৰ চলাওঁতাসকলৰ লগত সহযোগ কৰক আৰু সম্পৰ্ক কৰক। তাৰোপৰি, অনুগ্ৰহ কৰি আপোনাৰ ওচৰত থকা যিকোনো ধৰ্ম হওঁক, তেওঁলোকৰ লগত ভাল সম্পৰ্ক ৰাখক। বৰদিনৰ বতৰত আপোনালোকে ব্যক্তিগতভাৱে তেওঁলোকক লগ কৰিব পাৰে আৰু এটা কেক বা ফল উপহাৰস্বৰূপে দিব পাৰে, এইদৰে আপোনালোকৰ ওচৰ-চুবুৰীয়াসকলক আপোনালোকৰ প্ৰেম দেখুৱাব পাৰে। অনুগ্ৰহ কৰি ইয়াক এটা পৰামৰ্শৰ দৰে ল'ব পাৰে আৰু এইদৰে কৰোতে অসাৱধান নহ'ব।

ভৱিষ্যতে, আপোনালোকৰ পৰিচৰ্য্যাত ঈশ্বৰৰ সহায় আৰু মানুহৰ সমৰ্থনৰ প্ৰয়োজন হ'ব। শুনা, মই ৰাংকুকুৰবোৰৰ মাজলৈ তোমালোকক মেৰ-পোৱালিৰ নিচিনাকৈ পঠিয়াইছো; এই হেতুকে তোমালোক সাপৰ দৰে টেঙৰ আৰু কপৌৰ নিচিনা অমায়িক হোৱা। মথি ১০:১৬। আমাৰ কিছুমান দক্ষ আইনজীৱী, হিচাব ৰক্ষক আৰু বাইবেল বিদ্বানসকল আছে তেওঁলোকে আপোনালোকক সহায় আৰু সেৱা আগবঢ়াবলৈ মন কৰিছে।


**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ✿ BIBLECOR - Postal Courses (3 languages) ✿ Online Courses ✿ Theological Correspondence Courses (2 languages) ✿ Church Planting ✿ Nehemiah Bible Colleges ✿ Gospel Printing Press ✿ Great Commission Partners ✿ St. Paul's Matriculation School ✿ Crusades ✿ Community Development

যদি আপুনি আধ্যাত্মিক (বাইবেল) ডিগ্ৰী নোলোৱাকৈয়ে বিশ্বাসত প্ৰভুৰ সেৱা কৰি আছে, কিয়নো প্ৰভুৱে আপোনাক তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ আহ্বান জনাইছে, তেন্তে আপুনি কোনো এখন বাইবেল কলেজত বা দূৰ যোগাযোগ পদ্ধতি থকা বাইবেল কলেজত এজন নিয়মীয়া ছাত্ৰ হিচাবে নিজৰ নাম ৰেজষ্টিাৰ কৰক বা অন্তত অনলাইন যোগে থিয়লজী শিকি এখন প্ৰমাণ পত্ৰ গোটাই লওক! যদি আপুনি থিয়লজী বা পৰিচৰ্য্যাৰ প্ৰমাণ পত্ৰ পোৱা নাই, তেন্তে অনুগ্ৰহ কৰি সোনকালে পাবলৈ চেষ্টা কৰক। পৰিচৰ্য্যাৰ প্ৰমান পত্ৰই আপোনাক যথেষ্ট সহায় কৰিব। ইয়াৰ বাবে আপুনি টকা খৰছ কৰাৰ প্ৰয়োজন নাই। আমি সকলোৱে একলগ হৈ কাৰ্য্য কৰিম। চোৱা, ই কেনে উত্তম আৰু কেনে আনন্দময় হয় যেতিয়া স্বজাতীয় লোকে একেলগে একতাৰে বাস কৰে। গীতমালা ১৩৩ঃ১।

এই বিষয়টিত যদি আপুনি কিবা সহায় বিচাৰে, আপুনি পত্ৰ বা ই-মেইল যোগেআমালৈ যোগাযোগ কৰক। আমি যিমান পাৰো আপোনাক সহায় কৰিম। আহক আমি একলগ হ'ম! আৰু জয়যুক্ত হ'ম!!

প্ৰভুৰ ইচ্ছা হ'লে, এই নৱবৰ্ষত বিভিন্ন ঠাইলৈ যাত্ৰা কৰি প্ৰচাৰ কাৰ্য্য, বাপ্তিষ্ট আৰু পৰিচৰ্য্যাৰ অৰ্ডিনেশ্বন কৰাৰ দ্বাৰাই প্ৰভুৰ দাসকলক শক্তি যোগাব বিচাৰো। অনুগ্ৰহ কৰি আমাৰ সুস্বাস্থ্য, পৰিয়ালত অনুকূল অৱস্থা, আৰু ভাল আৰ্থিক অৱস্থাৰ বাবে প্ৰাৰ্থনা কৰক।

বৰ্তমান আমি ইউ, টিউব চেনেলত ইখ অফ হীজক'লৰ নামত প্ৰতিদিনে পুৱা ৫ বজাত আৰু দেওবাৰে পুৱা ৮ঃ৩০ বজাত আমাৰ বাৰ্তাসমূহ ব্ৰডকাষ্টিং কৰি আছো। আপুনি এই বাৰ্তাসমূহক চাব পাৰে আৰু নটিফিকেশ্বন পাবলৈ চাবচস্ক্ৰাইব কৰক।



**মিডিয়া মিনিষ্ট্ৰি**

আমাৰ পৰিচৰ্য্যাত স্থায়ী আৰ্থিক সহায় নাই। আমাৰ প্ৰভু যীচুৱেই আমাৰ যোগাওঁতা। যদি ঈশ্বৰে আপোনাক চলায়, আগবাঢ়ি আহি আমাৰ পৰিচৰ্য্যাক সহায় কৰক।

যিজনা প্ৰভুৱে আমাৰ হাত ধৰি ৰাখিছে আৰু যোৱা ৫৪ বছৰে আমাক চলায় আছে আপোনাকো প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰক! আমেন।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**
পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।
(+91) 98412 71858 / 98410 71858,
E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

কৰিছিল। শিষ্যসকলক ক্ষমতা প্ৰদান কৰা হ'ল আৰু অভূতপূৰ্ব পৰিৱৰ্তন তেওঁলোকৰ হৈছিল। তেওঁলোক শুভবাৰ্তাৰ সাহসী প্ৰচাৰক হৈ পৰিছিল। যেতিয়া আমি নতুন বছৰৰ আঁচনিবিলাকৰ বিষয়ে চিন্তা কৰোঁ, আমি বুজি পাব লাগিব যে ঈশ্বৰৰ সহায়ৰ অবিহনে আমি নতুন বছৰৰ আঁচনিসমূহৰ লগতে আন একোকেই কৰিব নোৱাৰো। যোহন ১৫ঃ পাছত পাওঁঃ "ময়েই দ্ৰাক্ষালতা, তোমালোক ডাল; যিজন মোৰ লগত থাকে আৰু ময়ো যিজনত থাকোঁ, সেইজন বহু ফলৱান হয়; কিয়নো মোৰ বাহিৰে তোমোলাকে একো কৰিব নোৱাৰা।" (এন, আই, ভি)। গতিকে আহক আমি এই ২০২৩ নৱবৰ্ষত এই সত্যতাক নিশ্চিত কৰো যে ঈশ্বৰৰ সৈতে নথকাকৈ আমি একোকে কৰিব নোৱাৰো কিন্তু ঈশ্বৰৰ সৈতে সকলো সম্ভৱ হয়।

আমাৰ বহুতে চাইনবৰ্ড দেখিছে হ'বলা, য'ত লিখা থাকে "অলপ বস্তু, অধিক আৰাম, যাত্ৰা সন্তোষজনক কৰে" ৰেলতেই হওক বা বাচতেই হওঁক। কেৱল জাগতিক যাত্ৰাতেই নহয় কিন্তু আমাৰ জীৱন যাত্ৰাতো এই বাক্যই অৰ্থ দিয়ে। বহুত সময়ত অতিৰিক্ত বস্তুৱে কেৱল আমাৰ জীৱনত দুঃখজনক কৰে এনে নহয় কিন্তু আনৰ জীৱনতো কৰে। বহুত মানুহে বছৰে বছৰে বহুত গধুৰ বস্তুবোৰ যেনেঃ ভুল, আঘাত, বেদনা, বেয়া পছন্দ, তিক্ততা, খং, হতাশ, ব্যৰ্থতা আৰু ইত্যাদি বস্তুবোৰক লগত লৈ ফুৰে। এইবোৰে আমাৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্পৰ্কত প্ৰভাৱ পেলায় আৰু ভয়ানক ক্ষতি কৰে। যীচুত আমাৰ অতীতৰ ভুলবোৰৰ বাবে শাস্তি নাই কিয়নো আমাক অনন্তকলীয়া অনুগ্ৰহৰ দ্বাৰাই ঢাকি ৰখা হৈছে। আমি কঢ়িয়াই লৈ ফুৰা অৰ্থহীন গধুৰ বোজাবোৰক এতিয়াই পেলাব লাগিব আৰু মুক্তভাৱে থাকিবলৈ শিকিব লাগিব। এই অনাৱশ্যক বোজাবোৰে আমাৰ জীৱন যাত্ৰাক কষ্টকৰ আৰু গধুৰ কৰে।

আমাৰ সকলোৰে বাবে আমাৰ ঈশ্বৰৰ ওচৰত পৰিকল্পনা আছে। তেওঁৰ পৰিকল্পনাসমূহে আমাৰ ক্ষতি নকৰে কিন্তু সমৃদ্ধিশালী কৰে, আশা দিয়ে আৰু এটা ভৱিষ্যত দিয়ে যিৰিমিয়া ২৯ঃ১১। আমি আমাৰ আত্মিক যাত্ৰা, ঈশ্বৰৰ ইচ্ছাক আৰু আমাৰ বাবে তেওঁৰ পৰিকল্পনাসমূহক আৰম্ভ কৰো। ইয়ে আমাক আমাৰ যাত্ৰা পথৰ নিৰ্দেশ দিয়ে আৰু মনোযোগী হৈ থাকিবলৈ সহায় কৰে।

পাঁচনি পৌলে ইফিচীয়া মণ্ডলীলৈ লিখা তেওঁৰ পত্ৰত স্পষ্টভাৱে আমাৰ যাত্ৰাৰ অনাৱশ্যক বয়-বস্তুবোৰৰ বিৱৰণ সমূহক দাঙি ধৰিছে। "সকলো কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা, আটাই হিংসাৰ সৈতে এই সকলো আপোনালোকৰ পৰা দূৰ হওঁক; পৰস্পৰৰ প্ৰতি স্নেহশীল হওক আৰু কোমল চিত্তৰ লোক হওক; ঈশ্বৰে আপোনালোকক যেনেকৈ খ্ৰীষ্টত ক্ষমা কৰিলে, তেনেকৈ আপোনালোকেও পৰস্পৰে ক্ষমা কৰক।" ইফিচীয়া ৪ঃ৩১,৩২। পৌলে ক'ব বিচাৰিছে যে আমি আমাৰ যাত্ৰাত কেৱল আৱশ্যকীয় বয়-বস্তু লৈ যোৱা উচিত তেতিয়াহে আমি আৰু আমাৰ সহযাত্ৰী সকলেও আৰামত আৰু সন্তোষত যাত্ৰা কৰিব পাৰিম।

ইয়াত পৌলে আমি কঢ়িওৱা ৬ টা আৱশ্যক বয়-বস্তুৰ তালিকা প্ৰস্তুত কৰিছে ঃ

১। কটুবাক্য (তিক্ততা)
২। খং
৩। ক্ৰোধ
৪। দ্বন্দ-কাজিয়া
৫। নিন্দা
৬। হিংসা

আৰু আমি কঢ়িয়াই লৈ যোৱা উচিত, সহায়ক, দৰকাৰী আৰু আৱশ্যক বয়-বস্তুবোৰ হৈছে ঃ

১। স্নেহশীল
২। কোমল চিত্তৰ
৩। ক্ষমা

## ১। কটুবাক্য

কটুবাক্য এনে এটা আৱেগ যাৰ পৰা ওলাই অহাটো বহুত কষ্ট হয়। এই ধৰণৰ আত্মা থকা লোকে কাৰোবাৰ পৰা এবাৰ মনত আঘাত পালে পুনৰ মিলন হ'ব নোৱাৰে। আমি যি অপমান আৰু আঘাত পাওঁ তাক মনত গভীৰভাৱে ৰাখি আৱেগক সদায় গৰম কৰি ৰাখো। এইটো কেঞ্চাৰৰ দৰে আমাৰ আনন্দ আৰু শান্তি মনক ক্ষতি কৰে। এই অনাৱশ্যক বস্তুৱে আমাৰ যাত্ৰাক কষ্টকৰ কৰে।

## ২। খং

বাৰ্কলেই তেওঁৰ ভাষ্যত কয় যে এইটো এটা এনে ধৰণৰ খং যিয়ে খেৰৰ দৰে জ্বলে, যাৰ জুই ফটকৈ বিয়পে। প্ৰায়ে আমি "হিংস্ৰ আৰু অনিয়ন্ত্ৰিত খং" বুলি কোৱা কথাষাৰৰ দৰে হওঁ। এনে বেয়া মানসিক অৱস্থাৰ লোকে বহুত চিঞৰে। যেতিয়া এজনে ভাৱে যে আনজনে ভুল কৰিছে তেতিয়া তেওঁ বিস্ফোৰিত হয়।

খ্ৰীষ্টিয়ান বিশ্বাসীসকলেও খঙৰ পৰা বাদ পৰা নাই। এবাৰ যোহন নামৰ এজন লোকে দেওবৰীয়া গীৰ্জালৈ তেওঁৰ গাড়ী চলাই গৈ আছিল। বাটত ট্ৰেফিকৰ ভীৰ লাগি আছিল। এনেতে যোহনৰ পাছে পাছে অহা গাড়ীখনৰ চালকে অভাৰটেক কৰিব বিচাৰি জোৰ-জোৰকৈ হৰ্ণ বজাই আছিল। যোহনে তেওঁক যাবলৈ দিওঁতে পলম কৰিছিল কেনেবাকৈ সেই চালকজনে অভাৰটেক কৰিবলৈ সক্ষম হ'ল আৰু তেওঁ পাৰ হৈ যাওঁতে যোহনক গালি পাৰি থৈ গৈছিল। যোহনৰো খং উঠিছিল কিন্তু তেওঁ নিজকে নিয়ন্ত্ৰণ কৰিলে। যেতিয়া যোহনে গীৰ্জাঘৰৰ চৌহদত প্ৰৱেশ কৰিছিল তেওঁ সেই একেখন গাড়ী চৌহদত পাৰ্ক কৰি ৰখা দেখি আচৰিত হ'ল। তেতিয়া তেওঁ জানিলে যে গাড়ীখন চলাই অহা মানুহজন গীৰ্জাৰ নতুন পালকজনহে আছিল। কল্পনা কৰি চাওক যেতিয়া উপাসনাৰ পাছত নতুন পালকজনে যোহনক লগ পাব তেতিয়া তেওঁৰ দুৰ্দশা কি হ'ব? খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ সাক্ষ্যক ধৰি ৰাখিবলৈ হ'লে এনেদৰে বাটত খং দেখুওৱাৰ পৰা একেবাৰে আঁতৰি থাকিব লাগে।

## ৩। ক্ৰোধ

ক্ৰোধক দুটা ভাগত ভগাব পাৰি - (ক) এটা ধাৰ্মিক খং আৰু (খ) আধ্যাত্মিক খং। যীচুৱেও তেওঁৰ খং প্ৰকাশ কৰিছিল যেতিয়া তেওঁ দেখিছিল তেওঁৰ পিতৃৰ গৃহক এটা "ডকাইতৰ গুহা" লৈ পৰিৱৰ্তন কৰা হৈছিল, মথি ২১ঃ১৩। তেওঁ এডাল চাবুক ল'লে আৰু আটাই ব্যৱসায়ীবিলাকক তাৰ পৰা খেদি উলিয়ালে। পৰিৱৰ্তে আমি মানৱ জাতিৰ বাবে ধাৰ্মিক খং ব্যৱহাৰ কৰাটো অসুবিধা হয়। কিয়নো আমাৰ আৱেগবোৰ পাপৰ দ্বাৰাই বিকৃত হৈছে। বাইবেলৰ মতে আমি পাপৰ বিৰুদ্ধে খং দেখুৱাব লাগে-"যিসকলে দুষ্টতাক ঘিণ কৰে, যিহোৱাই তেওঁলোকক প্ৰেম কৰে।" গীতমালা ৯৭ঃ১০। "তোমালোকে মনৰ ব্যাকুলতাত পাপ নকৰিবা" গীতমালা ৪ঃ৪। পৌলেও ইফিচীয়া ৪ঃ২৬ পদত একেধৰণৰ বাক্য লিখিছে। ইয়াৰ লগতে পৌলে উদ্‌গনিও দিছে-"ক্ৰুদ্ধ হৈ তাৰ প্ৰভাৱত পাপ নকৰিবা, বেলি মাৰ নৌ যাওঁতেই তোমালোকৰ কোপ শান্ত হওক আৰু চয়তানক ঠাই নিদিবা" ইফিচীয়া ৪ঃ২৬, ২৭।

যদি আমি জ্ঞানী হওঁ, যাকোব ১ঃ২৯,২০ পদ মনত ৰাখি ক্ৰোধত ধীৰ হ'ম, "কিয়নো মানুহৰ ক্ৰোধে ঐশ্বৰিক ধাৰ্মিকতা সাধন নকৰে।" গতিকে পৌলে এই অপ্ৰয়োজনীয় আৰু গধুৰ বাকচৰ পৰা আঁতৰি থাকিবলৈ তিনিটা উপদেশ দাঙি ধৰিছে। প্ৰথমটো 'পাপ নকৰিবা'। পাপ নকৰাকৈ কিদৰে ঐশ্বৰিক ক্ৰোধ দেখুৱাম এইধৰণৰ প্ৰশ্ন আমাৰ মনলৈ আহে? জন ষ্টটে তেওঁৰ ইফিচীয়া পত্ৰৰ বাৰ্তা নামৰ পুস্তকত ইয়াক উত্তৰ দিছে "আমি অহংকাৰ, ঘৃণা, ঈৰ্ষা, শত্ৰুতা আৰু ক্ৰোধৰ আত্মাৰ পৰা মুক্ত হ'ব লাগে"। দ্বিতীয়তে, বেলি মাৰ নৌ যাওঁতেই আমি আমাৰ কোপৰ পৰা আঁতৰি থাকিব লাগে। ইয়াৰ অৰ্থ এয়ে যে আমি আমাৰ ক্ৰোধক বহুত দিনলৈকে জীয়াই ৰাখিব নালাগে। তৃতীয়তে, চয়তানে আমাৰ জীৱনত সুযোগ ল'বলৈ ঠাই দিব নালাগে। আমাৰ ক্ৰোধক উত্তেজিত কৰাৰ দ্বাৰাই আমাৰ মনত ঘৃণা বা হিংস্ৰতা বা সহভাগিতাৰ ভাঙিবলৈ কেতিয়াও চয়তানক ঠাই দিব নালাগে। এই গধুৰ বোজাৰ পৰা আঁতৰি আহিবলৈ জ্ঞানী ৰজা চলোমনে দিয়া আন এটা উপদেশ হৈছেঃ

৬ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা/আবাসিক মহাবিদ্যালয়, চেন্নাই
মাধ্যম ঃ হিন্দী/তামিল
যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA
ATA Regd. Candidate for Membership NEHEMIAH BIBLE COLLEGE CHENNAI ★ ECHO OF HIS CALL ★ Estd.: 1969
প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ONLINE CLASSES ARE AVAILABLE ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ জানুৱাৰীৰ পৰা ২০২৩ চনৰ ১৮ ফেব্ৰুৱাৰীলৈ**

## ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

জানুৱাৰী ১৯ ঃ আমাৰ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীবিলাকত বৰদিন আৰু নতুন বৰ্ষক ভালদৰে পালন কৰিবলৈ আমাক সমৰ্থ কৰিলে।

জানুৱাৰী ২০ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল বাইবেল পাঠ্যক্ৰমবিলাকৰ সকলো কাম-কাজ।

জানুৱাৰী ২১ ঃ আমাৰ মুখ্য মণ্ডলীত পুৰুষসকলৰ প্ৰাৰ্থনা সভাত তেওঁৰ আশীৰ্বাদৰ বাবে।

জানুৱাৰী ২২ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত ছপা হোৱা আৰু মিশ্বন ক্ষেত্ৰলৈ পঠিওৱাত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

জানুৱাৰী ২৩ ঃযোৱা মাহত আমাৰ সকলো আৰ্থিক আৰু আত্মিক প্ৰয়োজনীয়বিলাক যোগাই দিয়াৰ বাবে।

জানুৱাৰী ২৪ ঃ আমাৰ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক উপচি পৰাকৈ আশীৰ্বাদ কৰাৰ বাবে।

জানুৱাৰী ২৫ ঃ নিয়মীয়াকৈ থিয়'ল'জিকেল চেমিনাৰীবিলাক চলাই নিবলৈ আমাক সমৰ্থ কৰাৰ বাবে।

জানুৱাৰী ২৬ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাসী অংশীদাৰসকল, জীৱনজোৰা অংশীদাৰসকল, মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত তেওঁৰ দয়া থকাৰ বাবে।

জানুৱাৰী ২৭ ঃ আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকললৈ বাদ্যযন্ত্ৰৰ পাঠদান যোগাই দিয়াৰ বাবে।

জানুৱাৰী ২৮ ঃ আমাৰ মণ্ডলীলৈ নতুন বিশ্বাসী সকলৰ দ্বাৰাই আশীৰ্বাদ।

জানুৱাৰী ২৯ ঃ আমাৰ অনুষ্ঠানলৈ নতুন নতুন কৰ্মীসকলৰ দ্বাৰাই আশীৰ্বাদ।

জানুৱাৰী ৩০ ঃ আমাৰ গ্ৰাম্য হাইস্কুল (চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল)ৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীবিলাকলৈ বাদ্যযন্ত্ৰৰ পাঠ্যদান (কিবৰ্ড আৰু গীটাৰ) দিবলৈ চলাই নিবলৈ।

জানুৱাৰী ৩১ ঃ আমাৰ সহকাৰী সম্পাদক আৰু তেওঁলোকৰ সহভাগিতা।

ফেব্ৰুৱাৰী ১ ঃ আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সন্ধিয়া বেলাত খেলিবলৈ কেৰম ব'ৰ্ড আৰু চেচ ব'ৰ্ড কিনিবলৈ আমাক সমৰ্থ কৰাৰ বাবে।

ফেব্ৰুৱাৰী ২ ঃ আমাৰ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীবিলাক আৰু তাৰ বিশ্বাসীসকলৰ বাবে।

ফেব্ৰুৱাৰী ৩ ঃ আমাৰ চিকিৎসালয়ৰ পৰিচৰ্য্যাত ঈশ্বৰৰ আচৰিত কৰ্মবিলাকৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

ফেব্ৰুৱাৰী ৪ ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাক আৰু মণ্ডলীবিলাকৰ ওপৰত আশীৰ্বাদ আৰু নিৰাপত্তা।

ফেব্ৰুৱাৰী ৫ ঃ গোটেই পৃথিৱীলৈ শান্তি।

ফেব্ৰুৱাৰী ৬ ঃ মহিলা আৰু শিশুসকলৰ বিৰুদ্ধে চলা অত্যাচাৰবিলাকৰ বাবে ঈশ্বৰৰ পৰা নিৰাপত্তা।

ফেব্ৰুৱাৰী ৭ ঃ এই মাহত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাৰ মূলধন যোগাই দিবলৈ।

ফেব্ৰুৱাৰী ৮ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাৰ সকলো কৰ্মচাৰী সুস্বাস্থ্যৰে থাকিবলৈ।

ফেব্ৰুৱাৰী ৯ ঃ আমাৰ দেশৰ একতা আৰু উন্নতি।

ফেব্ৰুৱাৰী ১০ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁবিলাকৰ পৰিয়ালৰ সদস্যসকল।

ফেব্ৰুৱাৰী ১১ ঃআমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনীখন লিখাৰ সময়ত তেওঁৰ মহানুভৱতা আৰু সহায়ৰ সন্মতি বিচাৰি।

ফেব্ৰুৱাৰী ১২ ঃ এই মাহত আমাৰ প্ৰয়োজনীয় সকলোবিলাক যেন যোগাই দিয়ে।

ফেব্ৰুৱাৰী ১৩ ঃ এই পৃথিৱীত তেওঁৰ ৰাজ্যক স্থাপন কৰাত তেওঁৰ প্ৰকৃত দৰ্শন পাবলৈ।

ফেব্ৰুৱাৰী ১৪ ঃ ভাৰতত শুভবাৰ্তা গৈ নোপোৱা ঠাইত শুভবাৰ্তা নিবলৈ আমাক সমৰ্থ কৰক।

ফেব্ৰুৱাৰী ১৫ ঃ আমাৰ অনুষ্ঠান, সকলো কৰ্মচাৰী আৰু তেওঁবিলাকৰ পৰিয়ালৰ ওপৰত আশীৰ্বাদ থাকিবলৈ।

ফেব্ৰুৱাৰী ১৬ ঃতেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যুৱক-যুৱতীসকল আৰু বাহিৰলৈ গৈ কৰা পৰিচৰ্য্যাবোৰ।

ফেব্ৰুৱাৰী ১৭ ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সু-স্বাস্থ্য।

ফেব্ৰুৱাৰী ১৮ ঃ প্ৰত্যেক সুৰাপায়ী আৰু দুকৰ্ম কৰোতাজনে ঈশ্বৰলৈ আহি মন পালটন কৰিব।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

মৃদু উত্তৰে ক্ৰোধ ক্ষান্ত কৰে; কিন্তু কটু কথাই খং তোলে” হিতোপদেশ ১৫ঃ১। গতিকে আমি আমাৰ যাত্ৰাত নিৰাপদে যাবলৈ হ'লে গধুৰ বোজাবোৰক আঁতৰাব লাগিব।

## ৪। দ্বন্দ-কাজিয়া

দ্বন্দ-কাজিয়া এটা চিঞৰ-বাখৰ কৰি অনিয়ন্ত্ৰিত হৈ কৰা কাজিয়াক বুজায়। বহুত সময়ত আমি দেখো যে বিশেষকৈ পালকসকলৰ কমিটিয়ে মণ্ডলীৰ ভিতৰত কাজিয়া কৰাৰ দ্বাৰাই বিবাদৰ সৃষ্টি কৰে। পালকসকলৰ কমিটি নিৰ্বাচনৰ সময়ত হোৱা কাজিয়াৰ ফলত পুলিচে আহি হস্তক্ষেপ কৰাটো কেতিয়াবা শুনিছেনে? পৌলে তীমথিয়লৈ লিখা প্ৰথম পত্ৰত এই গুণটোকো লিখিছে যে এজন অধ্যক্ষ ঃ... প্ৰহাৰক নহৈ ক্ষান্ত স্বভাৱী হোৱা, নিৰ্বিৰুধী আৰু নিলোভী হোৱা। জ্ঞানী চলোমন ৰজাই এইদৰে পচন্দ কৰে “দ্বন্দুৰী তিৰোতাই সৈতে ডাঙৰ ঘৰত বাস কৰাতকৈ চালৰ এচুকত থকাই ভাল”। (হিতোপদেশ ৯ঃ২১)।

## ৫। নিন্দা

আনৰ বিষয়ে বেয়া কথা কোৱাটোকেই নিন্দা কৰা হয়, বিশেষকৈ যেতিয়া কাৰোবাৰ পাছফালে কোৱা হয়। এনেধৰণৰ কথা কেৱল তেওঁলোকৰ মৰ্যদাক ধ্বংস কৰায় নহয় আমাৰো মৰ্যদাক ধ্বংস কৰে। গণনা পুস্তক ১২ঃ১ পদে মিৰিয়ম আৰু হাৰোণে মোচিয়ে এজনী কুচ দেশীয় মহিলাৰ সৈতে বিয়া পতাৰ বাবে তেওঁক দোষী কৰাৰ কাহিনী কয়। “আৰু যিহোৱাই সেই কথা শুনিলে। তাতে যিহোৱাৰ খং উঠিল আৰু মিৰিয়ম আৰু হাৰোণক ক'লে, “এই হেতুকে মোৰ দাস মোচিৰ অহিতে কথা ক'বলৈ তোমালোকে কিয় ভয় নকৰিলা?”গণনা পুস্তক ১২ঃ৮। যিহোৱাৰ ক্ৰোধ জ্বলি উঠিল আৰু মিৰিয়ম আৰু হাৰোণৰ শৰীৰত কুষ্ঠৰোগ হ'ল। আমাৰ মুখৰ পৰা ওলোৱা প্ৰত্যেকটো বাক্যৰ বাবে আমিয়েই দায়ী হওঁ। “এতেকে তোমালোক আন্ধাৰত যি যি কথা ক'লা, সেইবোৰ পোহৰত শুনা যাব আৰু ভিতৰৰ কোঠালিত তোমালোকে কাণে কাণে যি কথা কৈছা, সেয়া ঘৰৰ ওপৰৰ পৰা ঘোষণা কৰা হ'ব,” বুলি প্ৰভু যীচু খ্ৰীষ্টই সাৱধানবাণী দিছে। লূক ১২ঃ৩। সেই গতিকে যাকোব ৩ অধ্যায়ত যাকোবে জিবাক দমন কৰিবলৈ দীঘলীয়া বাৰ্তা লিখিছে। নিন্দা এটা ভয়ানক অলাগতিয়াল গধুৰ বস্তু। ইয়াক দূৰত পেলাই দিয়ক।

## ৬। হিংসা

হিংসা এটা মন্দ ইচ্ছা, মানুহৰ বিৰুদ্ধে মন্দ চক্ৰান্ত কৰিবলৈ ইচ্ছা কৰাক বুজায়। ইয়াৰ আটাইতকৈ শুদ্ধ উদাহৰণ আমি আদিপুস্তক ৩৭ অধ্যায়ত পাওঁ। যোচেফৰ ভাই-ককায়েকহঁতে যোচেফৰ বিৰুদ্ধে মন্দ চক্ৰান্ত কৰিছিল। “ব'লা এতিয়াই আমি তেওঁক বধ কৰি কোনো এটা গাতত পেলাই দিওঁ আৰু পাছত আমি ক'ম, কোনো হিংস্ৰ জন্তুৱে তাক খালে” আদিপুস্তক ৩৭ঃ২০। কিন্তু ঈশ্বৰে বেলেগ ধৰণে কাৰ্য্য কৰিলে আৰু ৰুবেণৰ দ্বাৰাই যোচেফৰ প্ৰাণ ৰক্ষা পৰিল। পাছত ঈশ্বৰে যোচেফক মিচৰৰ অতি উচ্চ পদত নিযুক্তি দিয়ালে আৰু তেওঁৰ ভাই আৰু ককায়েকহঁতক তেওঁৰ আগত প্ৰণিপাত কৰালে। একেধৰণে হামনে মৰ্দখয়ৰ বিৰুদ্ধে মন্দ চক্ৰান্ত কৰিলে আৰু পয়সত্তৰ ফুট দীঘল এডাল ফাঁচি কাঠ যুগুত কৰালে। ইষ্টেৰ ৫ঃ১৪। কিন্তু, বিপৰীতভাৱে এই শাস্তি চক্ৰান্তকাৰীৰ বিৰুদ্ধে পৰিণত হ'ল। হামনক তেওঁৰ মৃত্যু পৰ্যন্ত ফাঁচি কাঠত ওলোমোৱা হ'ল। ইষ্টেৰ ৭ঃ৯।

আমাৰ আৰামদায়ক যাত্ৰাৰ সময়ত আমাক কষ্ট দিয়া ছয়বিধ অনাৱশ্যক বয়-বস্তুৰ বিষয়ে আমি বুজিলো, এতিয়া আমি এই বাধা দিয়া বয়-বস্তুবোৰক কিদৰে পেলাব লাগিব তাৰে উপায় বিচাৰি উলিয়াব লাগে।

আমি ল'বলগীয়া প্ৰথম আৰু প্ৰধানতম পদক্ষেপটো হৈছে এটা সৎ আত্মাৰে-কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা আৰু হিংসাৰ বাহিৰে আৰু কি কি অতিৰিক্ত বয়-বস্তু আমি কঢ়িয়াই আছো তাক বিচাৰি উলিয়াব লাগে। তাৰ পাছতে আমি এই প্ৰক্ৰিয়াবিলাকক প্ৰাৰ্থনাত প্ৰভুৰ ওচৰলৈ আনিব লাগে আৰু অতিৰিক্ত বোজাবিলাকক গুচাবলৈ তেওঁৰ পৰা সহায় বিচাৰিব লাগে। তাৰোপৰি আমি এই বিষয়টিক আমাৰ পৰামৰ্শদাতা বা প্ৰাৰ্থনা অংশীদাৰসকল বা যাৰ ওপৰত আমি ভাৰসা কৰিব পাৰো তেওঁৰ ওচৰলৈ আনিব লাগে। পৰামৰ্শদাতাজন বা বিশ্বাসী বন্ধুৱে আমি লক্ষ্য নকৰা যিকোনো স্পষ্ট অংশ বা অদৃশ্য অংশবোৰক চিনাক্ত কৰাত সহায় কৰিব পাৰে।

দ্বিতীয়টো পদক্ষেপটো হৈছে, এইবোৰৰ পৰা আঁতৰি থকাটো ...যাবলৈ দিয়া। আঁতৰি থাকিবলৈ এই আৱেগবোৰ বৰ কঠিন হয়, আমি আমাৰ বল আৰু প্ৰচেষ্টাক ব্যৱহাৰ কৰিব নোৱাৰো, কিয়নো দুটা বিৰুদ্ধ শক্তিয়ে আমাৰ ভিতৰত সদায় কাৰ্য্য কৰি থাকে। এটা হৈছে ‘ভাল’ আৰু আনটো হৈছে ‘মন্দ’ এই পৰিস্থিতিত পৌলে ক্ৰন্দন কৰি কয়ঃ “হায়, হায়, মই কেনে দুৰ্ভগীয়া মানুহ? এই মৃত্যুৰ দেহৰ পৰা মোক কোনে নিস্তাৰ কৰিব?” ৰোমীয়া ৭ঃ২৫। অতিৰিক্ত বয়-বস্তুবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ আমাক সৰ্বশক্তিমান ঈশ্বৰৰ শক্তিৰ প্ৰয়োজন আছে। আমাৰ প্ৰভুৱে আমালৈ সহায় কৰিবলৈ এজন পৰামৰ্শদাতা আৰু শান্তনাদাতাক দিছে। যীচু, ঈশ্বৰ পুত্ৰই আমাৰ বাবে মধ্যস্থতা কৰে, যেতিয়া আমি প্ৰাৰ্থনাৰ সময়ত বাক্য ক'বলৈ চেষ্টা কৰো ঈশ্বৰৰ পবিত্ৰ আত্মাই আমাৰ মুখত উপযুক্ত বাক্য দিয়ে আৰু ঈশ্বৰ পিতৃয়ে শুনে আৰু আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়ে। এই আত্মবিশ্বাসৰ সৈতে আমি অনুগ্ৰহৰ সিংহাসনৰ ওচৰত যাব পাৰো। যীচুখ্ৰীষ্টই আমাক প্ৰাৰ্থনা কৰিবলৈ শিকালে,“আমাক পাপ আত্মাৰ পৰা ৰক্ষা কৰা” আমাৰ জীৱনৰ পৰা এই অতিৰিক্ত বোজাবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ আমি ঈশ্বৰক সহায় কৰিবলৈ ক'ব লাগে।

তৃতীয়টো পদক্ষেপটো হৈছে যে আমি আমাৰ আত্মাক প্ৰতিষেধক খুৱাব লাগে। যিকোনো বিহৰ বাবে প্ৰতিষেধক খুৱাব লাগে। যিকোনো বিহৰ বাবে প্ৰতিষেধক আছে। একেটা বিষয়ত পৌলে আমাক পৰামৰ্শ দিয়ে, ইফিচীয়া ৪ঃ৩২, ছয়বিধ ভয়ানক আৱেগ যিবোৰে আমাৰ যাত্ৰাক ক্লান্তিকৰ আৰু কষ্টকৰ কৰে তাৰে তিনিবিধ প্ৰতিষেধক দিয়া আছে। পৌলে কয়ঃ “পৰস্পৰৰ প্ৰতি স্নেহশীল হওক আৰু কোমল চিত্তৰ লোক হওক; ঈশ্বৰে আপোনালোকক যেনেকৈ খ্ৰীষ্টত ক্ষমা কৰিলে তেনেকৈ আপোনালোকেও পৰস্পৰে ক্ষমা কৰক।”

আমি কৰা উচিত, যি সহায়ক, সাৰ্থক আৰু আৱশ্যকীয় বিষয়সমূহ হৈছেঃ

## ১। স্নেহশীল

স্নেহশীল এটা সৎ গুণ হয় আৰু সৎগুণসমূহৰ ভিতৰত এটা মূল সৎগুণ হয় যিটো আমাত থাকিব লাগিব। ইয়ে আনক আমি যে প্ৰেম কৰো তাকে দেখুৱাই আৰু ফলস্বৰূপে ইয়ে আনৰ মনৰ দুখ গুচাই দিয়ে। “দয়ালু” হোৱা মানে যিজনৰ আমাৰ সহায়ৰ প্ৰয়োজন আছে তেওঁলৈ উপকাৰী আৰু ভাল ইচ্ছা থকাটোক বুজায়। ক্ষমতাৰ এটা অৱস্থানত স্নেহশীল হৈছে এজন ব্যক্তিৰ মনোভাৱ যিজনে আপেক্ষিক দুৰ্বলতাৰ অৱস্থানত কাৰোবাৰ বাবে কিবা ভাল কৰ্ম কৰে। দান দিবলৈ স্নেহশীল হৈছে এটা মনোভাৱ আৰু স্বইচ্ছাৰে দিবলৈ বাচি লওঁ আৰু অধিককৈ দিবলৈ আমাৰ কৰ্তব্য আছে। খ্ৰীষ্টৰ মৃত্যু আৰু পুনৰুত্থানৰ যোগেদি আমাৰ প্ৰচুৰ পৰিমাণৰ জীৱন আছে, পৰিত্ৰাণ, স্বাধীন আৰু প্ৰচুৰ পৰিমাণত ঈশ্বৰৰ অনুগ্ৰহ আছে। যেতিয়া আমি নিজকে দুৰ্বল যেন অনুভৱ কৰো, আমি খ্ৰীষ্টত বলৱান হওঁ। ইয়েই আমাক আনৰ প্ৰতি স্নেহশীল হোৱাত সমৰ্থ কৰে।

তাৰ মানে আমি তেওঁলোকক ক্ষমা কৰিব পাৰো। ক্ষমা দুৰ্বলতাৰ প্ৰদৰ্শন নহয়। এইটো স্নেহশীল আৰু ক্ষমা এটা প্ৰদৰ্শনহে হয়।

## ২। কোমল চিত্ত

কোমল চিত্ত মানে বাস্তৱিকতে 'একেলগে কষ্ট ভোগ কৰা।' যেতিয়া আমি আনজনৰ কষ্টৰ সৈতে সন্মুখীন হওঁ আৰু আমি অনুপ্ৰাণিত বোধ কৰো আৰু সেই ব্যক্তিজনৰ দ্ৰুত পুনৰুদ্ধাৰৰ বাবে শুভেচ্ছা জনাওঁ ইয়াকে এটি উদ্ভূত অনুভূতি হিচাবে সাংজ্ঞায়িত কৰা হয়। কোমল চিত্ত হৈছে যেতিয়া আমি কাৰোবাৰ পৰিস্থিতিৰ সৈতে সম্পৰ্ক কৰো আৰু তেওঁক সহায় কৰিব বিচাৰো। আমি কোনোবাক সমস্যাত পৰা দেখো আৰু তেওঁক সহায় কৰিবলৈ অনুভৱ কৰো। উদাহৰণস্বৰূপে, যেতিয়া আমি বাচত যাত্ৰা কৰো আৰু যদি এগৰাকী গৰ্ভৱতী মহিলাক দেখো, আমি লগে লগে বহাৰ পৰা উঠি সেই মহিলা গৰাকীক বহিবলৈ দিওঁ। সেইটোৱেই স্নেহশীল। এদিনত আমি এটা সৰু কাৰ্য্য যদি কৰিব পাৰো তেন্তে নেতিবাচক আৱেগক বেলেন্স কৰিব পৰা যায়। আগৰে পৰা আমাৰ ওপৰত যি যি গধূৰ বস্তুবোৰ আছিল তাৰ বাবে আৰু আমাৰ জীৱন যাত্ৰাত স্পীড বেকাৰৰ দৰে কাৰ্য্য কৰিবলৈ ই এক ভাল প্ৰতিষেধক হ'ব।

যীচুয়ে ভীৰটোক ৰখীয়া নোহোৱা মেৰৰ নিচিনা দেখিলে। মাৰ্ক ৬ঃ৩৪। যীচুৰ হৃদয়ত দয়া লাগিল। তেওঁ কেৱল তেওঁলোকৰ আত্মিক আহাৰ, যোগালে এনে নহয় শাৰীৰিক আহাৰো যোগালে। মাৰ্ক ৬ঃ৩৭-৪৪। যেতিয়া অব্ৰাহামে জানিলে যে ঈশ্বৰে চদোম নগৰ ধ্বংস কৰিব লৈছে, চদোমৰ ধাৰ্মিক লোকবিলাকৰ বাবে তেওঁ হৃদয় দয়াৰে পৰিপূৰ্ণ হৈ আছিল আৰু তেতিয়া তেওঁ ঈশ্বৰৰ ওচৰত নিবেদন কৰিবলৈ আৰম্ভ কৰিছিল। অব্ৰাহামে ঈশ্বৰক সুধিলে, যদি ৫০ জন মানুহ চদোমত ধাৰ্মিক ওলায় তেন্তে চদোম নগৰ ধ্বংস নকৰিব। ঈশ্বৰে সন্মত হৈ তেওঁক ক'লে যে যদি 50 জন মানুহ চদোমত থাকে তেন্তে তেওঁ ধ্বংস নকৰিব। কিন্তু অব্ৰাহামে একেৰাহে ঈশ্বৰক মিনতি কৰি গ'ল। অব্ৰাহামে জানিছিল যে ৫০ জন ধাৰ্মিক মানুহ চদোমত নাই। গতিকে সংখ্যাটো তললৈ গৈ আছিল ৪৫,৪০,৩৫,৩০ আৰু ১০ লৈকে। এইটোৱেই কোমল চিত্ত।

## ৩। ক্ষমাৰ আত্মা

স্নেহশীল আৰু কোমল চিত্ত স্বাভাৱিকভাৱে আনক ক্ষমা কৰায়। ক্ষমা হৈছে আমাৰ সকলো সম্পৰ্কৰ মৌলিক নীতি। ক্ষমাৰ আত্মা এজন খ্ৰীষ্টিয়ান বিশ্বাসীৰ জৰুৰী দৃষ্টিভঙ্গী হ'ব লাগে। কিয়নো বিশ্বাসীসকল ক্ষমা পোৱা লোক। ঈশ্বৰে আমাক ক্ষমা কৰাৰ দৰে আমিও ক্ষমা কৰিব লাগে। যেতিয়া আমি দুখ পাওঁ, কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা আৰু হিংসাৰ পথবিলাকৰ সৈতে আমি প্ৰতিক্ৰিয়া কৰো। আমাৰ প্ৰতিক্ৰিয়াবিলাক ধ্বংসাত্মক ব্যৱহাৰ বা ধ্বংসাত্মক বাক্যত ওলায় আছে সেই সময়ত আমি বুজি নাপাওঁ যে এই তাৎক্ষণিক প্ৰতিক্ৰিয়াবিলাকে আমাৰ সম্পৰ্কক ধ্বংস কৰে। আমাক দুখ-কষ্ট দিয়া মানুহবিলাকক ক্ষমা কৰাটোৱেই এটা পথ যাৰ দ্বাৰাই আমি ভগ্ন বা দাগ থকা সম্পৰ্কক পুনৰুদ্ধাৰ কৰিব পাৰিম। গতিকে আমি অধ্যয়ন কৰা সকলো পাঠসমূহ এটা শব্দতে শেষ কৰিব পাৰিম- ক্ষমা।

পৌলে কয় যে ঈশ্বৰে আমাৰ পাপবোৰক ক্ষমা কৰাৰ দৰে আমি ক্ষমা কৰিব লাগে। তেওঁ আমাক উদ্ধাৰ কৰিলে আৰু ক্ষমা কৰিলে। ইফিচীয়া ১ঃ৭। এই ক্ষমা ঈশ্বৰৰ সৈতে থকা আমাৰ সম্পৰ্কৰ কেন্দ্ৰ বিন্দু হয়। ঈশ্বৰে আমাৰ পাপবোৰক মচি পেলালে, তেওঁৰ ক্ৰোধক আমাৰ পৰা দূৰ কৰিলে আৰু মৃত্যুৰ পৰা জীৱনলৈ আমাক তুলিলে। আচৰিতভাৱে দয়া আৰু সহানুভূতিশীল তেওঁ আমাক দেখুৱাই আছে। আৰু এতিয়া আমি নিৰাপদ আৰু গৌৰৱময় ভৱিষ্যতৰ সন্মুখীন হৈছো। কিয়নো ঈশ্বৰে আমাক ক্ষমা কৰিছে, আমাৰ এটা কাৰণ আছে-যিদৰে ঈশ্বৰে আমাৰ পাপবোৰক মচি দিছে আৰু আমাক পৱিত্ৰ খ্ৰীষ্টৰ যোগেদি পবিত্ৰ আৰু চেকাহীনৰ দৰে চাই আছে, আমিও আনলৈ একেদৰে কৰা উচিতঃ আমাৰ বহীত ভুল কৰা বিলাকৰ নামবোৰ মচি পেলাবলৈ। পৌলে আমাক "ঈশ্বৰৰ অনুকাৰী" হ'বলৈ আৰু "প্ৰেমৰ জীৱন জীয়াই থাকিবলৈ উৎসাহ দিছে আৰু খ্ৰীষ্টে যেনেকৈ আমাৰ কাৰণে ঈশ্বৰৰ উদ্দেশ্য সুগন্ধযুক্ত নৈবদ্য আৰু বলি স্বৰূপে নিজকে সোধাই দিলে, তেনেকৈ তোমালোকও প্ৰেমৰ পথত চলা"। ইফিচীয়া ৫ঃ১,২। আমাৰ জীৱনত ঈশ্বৰক অনুকৰণ কৰিবলৈ হ'লে আমি ক্ষমাৰ আত্মাক ল'ব লাগিব।

ক্ষমা কৰিব নোৱাৰা স্বভাৱে আমাৰ জীৱন যাত্ৰাক বহুত কষ্টকৰ কৰে। ইয়ে আমাক পিছলৈ ঠেলি নিয়ে আৰু কেতিয়াবাহে আগবাঢ়িব দিয়ে। ক্ষমা হৈছে এটা মৌলিক খ্ৰীষ্টিয়ান গুণ। যেতিয়া আমি পাপবোৰৰ বাবে ক্ষমা পালো আৰু পাপৰ প্ৰাকৃতিক পৰিণতিৰ পৰা মুক্তি পালো; আমি আনবিলাকৰ পাপবোৰ আৰু আমাৰ বিৰুদ্ধে কৰা কৰ্মবিলাকক ক্ষমা কৰিব লাগে। যদি আমি ক্ষমা নকৰো তেন্তে আমি নিজক এজন বিশ্বাসী বুলি দাবী কৰাৰ অধিকাৰ নাই। মথি ৬ঃ১৪,১৫ পদত যীচুখ্ৰীষ্টই আমাক ক্ষমাৰ বিষয়ে শিক্ষা দিছেঃ "কিয়নো তোমালোকে যদি আনলোকৰ অপৰাধ ক্ষমা কৰা, তেনেহ'লে তোমালোকৰ স্বৰ্গীয় পিতৃয়ে তোমালোকৰো অপৰাধ ক্ষমা কৰিব; কিন্তু তোমালোকে যদি আন লোকৰ অপৰাধ ক্ষমা নকৰা, তেনেহ'লে তোমালোকৰ পিতৃয়ে তোমালোকৰো অপৰাধ ক্ষমা নকৰিব" মাৰ্ক ১১ঃ২৫। একে সময়তে আমি মনত ৰাখিব লাগিব যে আমি আনলোকক ক্ষমা কৰাৰ বাবে ঈশ্বৰে আমাক ক্ষমা নকৰে, কিন্তু কেৱল তেওঁৰ মহান অনুগ্ৰহৰ বাবেহে আমি ক্ষমা পাওঁ। ক্ষমা কৰিব নোৱাৰা আত্মাই ছয়টা অনাৱশ্যক বয়-বস্তুবিলাকৰ বিষয়ে আগতে আমি আলোচনা কৰিলো। কিদৰে ক্ষমা কৰিব লাগে আৰু কিদৰে পাহৰিব লাগে তাক শিকিলে আমি খ্ৰীষ্টিয়ান জীৱনৰ আনন্দৰ এটা ৰহস্য পাওঁ।

চতুৰ্থ পদক্ষেপটোত আমাৰ লেখক আৰু বিশ্বাসৰ পৰিপূৰ্ণতা যীচুখ্ৰীষ্টৰ ওপৰত আপোনাৰ চকু ঠিক কৰি ৰাখক আৰু জীৱন যাত্ৰা চলাই যাওক। পবিত্ৰ বাইবেলৰ কিং জেমচ ভাৰ্জনে আমাক প্ৰেৰণা দিয়ে। ইব্ৰী পুস্তকৰ ১২ঃ১ পদত আমি পঢ়োঃ "এতেকে ইমানবোৰ সাক্ষীয়ে আমাক চাৰিওফালে বেৰি থকা দেখি, আহক, আমিও আটাই বাধা আৰু আমাক লগ ধৰি থকা পাপ দূৰ কৰি আমাৰ আগত

....Contd. to page 9


## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| Account Name | : | ECHO OF HIS CALL EDUCATIONAL TRUST |
| Account Number | : | 1023 2923 805 |
| Bank Name | : | STATE BANK OF INDIA |
| Branch | : | TRIPLICANE, CHENNAI - 600 005 |
| IFSC Code | : | SBIN 0000249 |
| SWIFT Code | : | SBI NIN BB 455 |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## তেওঁ মোৰ জীৱন পৰিৱৰ্তন কৰে !

HE CHANGES MY LIFE!

তেওঁ ধূলিৰ পৰা দুখীয়াক উঠায়, সাৰৰ দ'মৰ পৰা দীনহীনক তোলে। - গীতমালা ১১৩ঃ৭।

মোৰ নিয়মীয়া চাকৰিত সময় দিয়াৰ পাছত, বাকী সময়ছোৱাত, মই বিনামূল্যত পত্ৰিকা বিতৰণ কৰিছিলো, ব্যক্তিগত প্ৰচাৰকাৰ্য্য কৰিছিলো, কিন্তু তাক কৰাত ঈশ্বৰে মোক কাৰ্য্যকৰীভাৱে সহায় কৰিছিল।

মোৰ প্ৰিয় বন্ধুসকল, ভাই, ডি, ডব্লীও, দেৱাকান্তা মোৰ লগত কাৰ্য্য কৰিছিল ১৯৭১ চনত এবাৰ মোৰ ওচৰত আহি মোক সুধিলে, "বোধকৰো এই অফিচত আপুনি এজন অনুপম ব্যক্তি ! মই কেতিয়াবা আপোনাত অতি বিশেষ দেখি পাওঁ !! কাৰণটো কি? আপুনি এজন খ্ৰীষ্টিয়ান লোক নে কি?" মই উত্তৰ দি ক'লো, "হয় মই এজন ঈশ্বৰৰ সন্তান হওঁ আৰু স্বৰ্গ আৰু মৰ্ত্য সৃষ্টি কৰোতা সৰ্বশক্তিমান প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰাই ৰক্ষা পোৱা এজন লোক হওঁ। তেওঁলোকে পুনৰ মোক ক'লে, "তুমি এজন দক্ষ যুৱক!



**ভাই ডি, ডব্লিউ. দেৱাকান্থান**

তুমি এতিয়াও পৰিত্ৰাণৰ অভিজ্ঞতাত আছা নে? মই ক'লো, "হয়" তেওঁলোকে মোক আলিঙ্গন কৰিলে আৰু সেইদিনা দেওবাৰ পুৱাবেলাত তেওঁৰ পালক লগ পাবলৈ ভাই ডি, ডব্লিওৱে মোক তেওঁৰ লগত আহিবলৈ ক'লে। মই তেওঁৰ লগত যাবলৈ সন্মত হ'লো। তেতিয়া ভাই ডি, ডব্লিও দেৱাকান্থানে তেওঁৰ চাইকেলৰ পিছফালে বহিবলৈ ক'লে আৰু ১৯৭১ চনৰ ডিচেম্বৰ মাহত এপচ্টলিক খ্ৰীষ্টিয়ান এচেম্বলীৰ মুখ্য পালক জি, সুন্দৰাম আৰু সহকাৰী পালক এম, কে, চাম সুন্দৰামৰ ওচৰলৈ নিলে।

যি যি কথোপকথন মই মুখ্য পালক জি, সুন্দৰামৰ লগত পালো তাক মই কেতিয়াও পাহৰিব নোৱাৰো। তেওঁৰ সুন্দৰ মুখমণ্ডল, হাঁহি আৰু তেওঁৰ উদ্বেগ আৰু দায়িত্ব থকা বাক্যবিলাকে মোৰ নিজ পিতৃৰ লগত থকা মোৰ সম্পৰ্কক মনত পেলাই দিছিল।



**মুখ্য পালক জি সুন্দাৰাম**



**সহকাৰী পালক এম, কে, চাম সুন্দাৰাম**

গতিকে মই তেওঁক ক'লো, "ময়ো আপোনাৰ দৰে হ'ব বিচাৰো!" তেওঁ মোক আলিঙ্গন কৰি চুমা খাই ক'লে, "তুমি এই লক্ষ্যত উপনীত হ'বলৈ এটা ডাঙৰ মূল্য দিবলগীয়া হ'ব পাৰে আৰু এটা কঠিন জীৱন সহ্য কৰিব লাগিব।" মই উত্তৰ দিলো, "মই সম্পূৰ্ণ হৃদয়েৰে কৰিম"। সেই দিনাৰ পৰা মই তেওঁৰ মণ্ডলীত এজন শক্তিশালী সদস্য হ'লো আৰু উপাসনাৰ দলত অন্তৰ্ভুক্ত হ'লো। তেওঁ উপাসনাত দিয়া বাৰ্তাসমূহ আৰু তেওঁৰ কাৰ্যবিলাকে মোক বহুত আকৃষ্ট কৰিলে।

মই এম, কে, চাম সুন্দাৰামৰ লগতো সহকাৰীৰ দৰে আছিলো আৰু সাধাৰণ পৰিচৰ্য্যা কৰিছিলো। তেওঁ মোক বহুত শিকালে আৰু চলায় ৰাখিলে।

তেওঁ মোক ভিক্টৰ সেই মণ্ডলীৰ ঈশ্বৰৰ দাসসকলৰ সৈতে পৰিচয় কৰায় দিলে যেনে ভাই, স্বামীদাস (ৰেল বিভাগ) ভাই, এ, ছেলভা ৰাজ (গণপূৰ্ত বিভাগ) প্ৰচাৰক জেয়া মোহন (শিক্ষক) আৰু প্ৰচাৰক এম, জিভানান্দাম। তেওঁলোকে মোক আত্মিকভাৱে বৃদ্ধি হোৱাত সহায় কৰিলে।



**ভাই ভিক্টৰ স্বামী দাস**

১৯৭২ চনত চনত মই পালক জি, সুন্দাৰামৰ দ্বাৰাই বাপ্তিস্থ ল'লো আৰু১৯৭৭ চনত ২৬ ডিচেম্বৰত পালক এম, কে, চুন্দাৰাম আৰু দক্ষিণ আফ্ৰিকাৰ পালক ৰোবেন টিমৰ উপস্থিতিত মোক এজন পৰিচাৰক হিচাবে তেওঁৰ দ্বাৰাই মোক অৰ্ডিনেচন কৰা হৈছিল।

পালক জি, সুন্দাৰামে মোক গীৰ্জালৈ অহা মানুহসকলৰ জোতা আৰু চেণ্ডেলৰ যত্ন ল'বলৈ পালক আনন্দৰ সৈতে জড়িত কৰাই দিলে।




**পালক চাম ছেলভা ৰাজৰ অভিষেক - ১৯৭৭**

সাধাৰণতে গীৰ্জালৈ অহা মানুহবোৰে গীৰ্জাঘৰৰ বাহিৰত থকা কাঠৰ আলমাৰিত তেওঁলোকৰ জোতা আৰু চেণ্ডেলবোৰ খুলি থৈ গৈছিল আৰু গীৰ্জা শেষ হোৱাৰ পাছত তেওঁলোকে নিজ-নিজ



জোতা আৰু চেণ্ডেলবোৰ পুনৰ পিন্ধি ঘৰলৈ গৈছিল জোতা আৰু চেণ্ডেলবোৰক ৰক্ষা কৰি ৰখাটো আৰু তেওঁলোকক ঘূৰাই দিয়াটো আমাৰ দুয়োৰে দায়িত্ব আছিল।



এতিয়া পালক আনন্দ এজন মহান আত্মিক চলাওঁতা হয় আৰু চেন্নাইত কাৰুণানিধি কালাইংনাৰ নাগাৰ মিনিষ্ট্ৰিৰ এপষ্টেলিক চাৰ্চ এচেম্বলীৰ এখন ডাঙৰ মণ্ডলীৰ এজন জ্যেষ্ঠ পালক হয়! তেওঁলোকে প্ৰায়ে মোৰ মণ্ডলীত প্ৰভুৰ বাৰ্তা আনে আৰু মোৰ নহিমিয়া বাইবেল কলেজত শিক্ষক বা আলহী বাৰ্তাবাহকৰ দৰে সেৱা আগবঢ়াই আছে। তেওঁলোকে পৰিচৰ্য্যাত মোক বিভিন্ন দিশত সহায় কৰিছে। ইয়াক লক্ষ কৰাটো গুৰুত্বপূৰ্ণ হ'ব যে মই এখন সৰু মণ্ডলীৰ পালক আছিলো আৰু তেতিয়াই ঈশ্বৰে মোক এখন বাইবেল কলেজ চলাবলৈ দিলে য'ত মই এই মহান লোকসকলৰ সেৱা পাবলৈ সুযোগ পালো।


পালক এচ আনন্দ

মই ইতিমধ্যে উল্লেখ কৰিছিলো যে, ইখ অফ হীজ ক'ল নাম দি বিভিন্ন ভাষাত এখন মাহেকীয়া খ্ৰীষ্টিয়ান আলোচনী চলোৱাত ঈশ্বৰে মোক সহায় কৰিলে। ঈশ্বৰৰ পৰিচৰ্য্যাৰ বাবে মই অভিষেক পোৱাৰ পাছত প্ৰভুৱে মোক কিছুমান স্থানীয় মণ্ডলীসমূহক সহায় কৰিবলৈ সমৰ্থ কৰিলে আৰু চেপাকত এটা সৰু মণ্ডলী আৰম্ভ কৰিবলৈ সহায় কৰিলে, যিটো এতিয়া চেন্নাই চহৰৰ শুভবাৰ্তা নোপোৱা ঠাইত আছে। বৰ্তমান আমাৰ কেন্দ্ৰ মণ্ডলীখন এই অঞ্চলতে আছে।

যদিও মই কঠিন পৰিশ্ৰম কৰিছিলো আৰু নিৰন্তৰে প্ৰাৰ্থনা কৰি আছিলো মই নতুন আত্মা পাব পৰা নাছিলো। আন মণ্ডলীবিলাকৰ বিশ্বাসীসকলক লোভ দেখুৱাই মোৰ মণ্ডলীত ভুক্ত নকৰিবলৈ মই ঠিৰাং কৰিছিলো। মই সদায় 'মেৰ চোৰ' কৰাৰ বিৰুদ্ধে আছিলো। গতিকে প্ৰথম পাঁচটা বছৰ কেৱল মোৰ ভাৰ্য্যা আৰু মোৰ কন্যাজনীহে মোৰ মণ্ডলীৰ মেম্বাৰ আছিল। চেপাক, চেন্নাইত আকবৰ চাহিব ষ্ট্ৰিট বিগ ষ্ট্ৰিট আৰু চি, এন, কৃষ্ণাস্বামী ৰোড আদিত প্ৰত্যেক দেওবাৰে পুৱা আৰু সন্ধ্যা বেলাত গীৰ্জাত মই তেওঁলোককেই প্ৰভুৰ বাৰ্তা দিছিলো। তাৰোপৰি আমি পথ পৰিচৰ্য্যাত জড়িত আছিলো আৰু চিকিৎসালয়ৰ ৰোগীক পৰিদৰ্শন কৰিছিলো আৰু পথৰ কাষত থকা দৰিদ্ৰ লোকসকলক পৰিদৰ্শন কৰিছিলো। আমি এটি পৰিয়াল হিচাবে প্ৰভুৰ পৰিচৰ্য্যাৰ বাবে আমাৰ উপাৰ্জনসমূহ খৰছ কৰিছিলো যাৰ বাবে আমি বহুত সময়ত ভোকতে আছিলো।







একৰ্ডিয়ন (বাদ্যযন্ত্ৰ) বজোৱাটো মোৰ অভ্যাস আছিল, যেতিয়া মই বাদ্যযন্ত্ৰ বজাও আৰু প্ৰভু যীচু খ্ৰীষ্টৰ মহিমাৰ গীত গাও, মোৰ গৃহস্থই মোক ক'বলৈ ইচ্ছা কৰা নাছিল যে তেওঁলোকৰ দেৱতাবিলাকে সক্ৰিয় হৈ থাকিব পৰা নাই। গতিকে গৃহস্থবিলাকে মোৰ বাসগৃহ আৰু মোৰ মণ্ডলীক সেই অখ্ৰীষ্টিয়ান অঞ্চলৰ পৰা স্থানান্তৰ কৰিবলৈ মোক হেঁচা দিছিল।

❖❖❖

*....Contd. from page 7*

থকা দৌৰৰ পথত ধৈৰ্য্যৰে দৌৰোহঁক"। (কিং জেমচ ভাৰজন)। মই ইচ্ছা কৰিয়েই কিং জেমচ ভাৰজনক বাচি লৈছো কিয়নো কেৱল এই ভাৰজনতেই "ওজন" শব্দটো ব্যৱহাৰ হৈছে। যদি আমি আমাৰ চকু যীচুৰ ওপৰত ঠিক কৰি ৰাখো, আমি দৌৰ মাৰিব পাৰিম আৰু সহজে দৌৰ শেষ কৰিব পাৰিম। এজন ক্ৰীড়াবিদে যেতিয়া দৌৰ মাৰে তেতিয়া সৰ্বনিম্ন সাজ পৰিধান কৰে। আমি এজন ক্ৰীড়াবিদক সম্পূৰ্ণ সাজ পৰিধান কৰি দৌৰ মৰা দেখা নাই। তেনে সাজ পৰিধান কৰিলে দ্ৰুত গতিত দৌৰাত বাধা হ'ব আৰু তেওঁ কেতিয়াও দৌৰ শেষ কৰিব নোৱাৰিব। গতিকে ইব্ৰী পুস্তকৰ লেখকে আমাক ওজন আৰু পাপবিলাক-কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা আৰু হিংসাক পৃথক কৰি ৰাখিবলৈ উদগনী যোগাইছে, কিন্তু স্নেহশীল, কোমল চিত্ত আৰু ক্ষমা মন লৈ দৌৰ মাৰক। আমি অনুকৰণ কৰিবলৈ পুৰণি নিয়মত আমাৰ আদৰ্শ লোকসকল থকাৰ বাহিৰে আধুনিক লোকসকলেও আমাৰ আদৰ্শ হৈ ৰৈছে-সাধু সুন্দাৰ সিং, ঝিগেনবাল্ক, পণ্ডিত ৰামাবাই, উইলিয়াম কেৰী, বিচফ ভি, এচ, আঝাৰিয়া আৰু গ্ৰাহাম ষ্টেইন এই লোকসকলে ভালকৈ দৌৰ মাৰিছিল, আমাৰ মাতৃভূমিত পৰিচৰ্য্যা কৰিছিল আৰু আমাৰ ভাৰতীয়ৰ বাবে মৃত্যুবৰণ কৰিলে।

আমি ২০২৩ নৱবৰ্ষ আঁচনিসমূহৰ সৈতে আৰম্ভ কৰিছো। এই অসমৰ্থকৰণ ওজনবোৰক ত্যাগ কৰক আৰু বিজয়ীভাৱে খ্ৰীষ্টিয়ান যাত্ৰাক পূৰ্ণ কৰক আৰু শেষত সাহেৰে পৌলৰ সৈতে ঘোষণা কৰকঃ "মই সেই উত্তম যুদ্ধত প্ৰাণপন কৰিলো, নিৰূপিত পথৰ শেষলৈকে দৌৰিলো" আৰু "সেই কিৰীতি ধাৰ্মিক বিচাৰকৰ্তা প্ৰভুৰ দ্বাৰা সেইদিনা মোক দিয়া হ'ব...কেৱল


## প্ৰয়োজন হৈছে

তলত দিয়া পৰিচৰ্য্যাৰ বাবে দৰ্শন থকা আৰু সমৰ্পিত হোৱা কৰ্মীসকলৰ প্ৰয়োজন হৈছেঃ

- কম্পিউটাৰত জ্ঞান থকা অফিচ কৰ্মী
- ছাপাশাল আৰু অফিচৰ বাবে সহকাৰীসকল
- অফিচ চোৰা-চিতা কৰা চুপাৰ ভাইজাৰ
- অ'ডিঅ/ভিডিঅ' টেকনিচয়ান।
- মেট্ৰিকুলেশ্বন স্কুলৰ প্ৰধান শিক্ষক
- মেট্ৰিকুলেশ্বন স্কুলৰ বাবে শিক্ষক
- সহকাৰী পালকসকল
- প্ৰচাৰকসকল
- বাইবেল কলেজৰ অধ্যক্ষ (একাডেমিক)
- নিৰাপত্তা কৰ্মী
- গাড়ী চালক

অনুগ্ৰহ কৰি যোগাযোগ কৰক ঃ ইখ অফ হীজ কল **Cell : 98410 71858**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

মোকে নহয়, কিন্তু তেওঁৰ আৰ্বিভাৱক প্ৰেম কৰা সকলোকে দিব।” (এন, আই, ভি) ২ তীমথিয় ৪ঃ৭,৮ পদ।

এই নৱবৰ্ষৰ আঁচনিসমূহৰ ওপৰত বিবেচনা কৰক, প্ৰাৰ্থনা কৰক, এইবিলাকক আপোনালোকৰ জীৱনত পালন কৰক আৰু তাকৰ বয়-বস্তুৰ সৈতে যাত্ৰা কৰক। আপোনালোকৰ সকলোকে এক আশীৰ্বাদপ্ৰাপ্ত ২০২৩ নৱবৰ্ষৰ শুভেচ্ছা জনালো। ঈশ্বৰে আশীৰ্বাদ কৰক।

❖❖❖❖❖

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th JANUARY 2023**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

## *JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**